দেশ

ভূপেন হাজৰিকাৰ জন্ম শতবর্ষ উদযাপনৰ সামৰণি অনুষ্ঠানত অংশ ল'ব প্রধানমন্ত্রীয়ে, উষা মংগেশকাৰক প্রদান কৰিব ৰাষ্ট্রীয় বঁটা

নতুন দিল্লীত ড০ ভূপেন হাজৰিকাৰ জন্ম শতবর্ষৰ বর্ষজোৰা উদযাপনৰ সামৰণি অনুষ্ঠানত প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে বিশিষ্ট কণ্ঠশিল্পী উষা মংগেশকাৰক ড০ ভূপেন হাজৰিকা ৰাষ্ট্রীয় বঁটা প্রদান কৰিব।

প্রকাশ: ২৯ নৱেম্বৰ ২০২৬, দুপৰীয়া ২:৩৪



নতুন দিল্লী, ২৯ নৱেম্বৰ: বিশ্ববৰেণ্য শিল্পী সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ জন্ম শতবর্ষৰ বর্ষজোৰা উদযাপনৰ সামৰণি অনুষ্ঠানত আজি অংশগ্রহণ কৰিব প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে। নতুন দিল্লীৰ ভাৰত মণ্ডপমত সন্ধিয়া ৬ বজাত অনুষ্ঠিত হ'বলগীয়া এই বিশেষ কার্যসূচীত প্রধানমন্ত্রীয়ে বিশিষ্ট কণ্ঠশিল্পী উষা মংগেশকাৰক ড০ ভূপেন হাজৰিকা ৰাষ্ট্রীয় বঁটা প্রদান কৰিব।এই সন্মানীয় বঁটাত আছে এটা প্রশস্তি-পত্রৰ লগতে ১০ লাখ টকাৰ নগদ ধন। প্রতি তিনি বছৰৰ মূৰে মূৰে নির্বাচিত ব্যক্তিক এই সন্মান আগবঢ়োৱা হ'ব। অনুষ্ঠানত প্রধানমন্ত্রী মোদীয়ে উপস্থিত

ৰাইজক সম্বোধন কৰাৰো কার্যসূচী আছে।

ইয়াৰ পূর্বে অসমৰ মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মাই সদৰী কৰিছিল যে উষা মংগেশকাৰে এই বঁটা গ্রহণ কৰিবলৈ সন্মতি জনাইছে আৰু প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে নিজে এই সন্মান প্রদান কৰিব। উল্লেখ্য যে, ড০ ভূপেন হাজৰিকাৰ জন্ম শতবর্ষ উপলক্ষে সমগ্র দেশৰ বিভিন্ন প্রান্তত বিগত এবছৰ ধৰি স্মৃতিচাৰণ আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হৈ আহিছে। ২০২৫ চনৰ ৮ ছেপ্টেম্বৰত এই বর্ষজোৰা কার্যসূচীৰ শুভাৰম্ভ কৰা হৈছিল। সুধাকণ্ঠৰ সংগীত, সাহিত্য, চলচ্চিত্র আৰু সমাজ জীৱনলৈ আগবঢ়োৱা অৱদানক সুঁৰৰি বিভিন্ন কার্যসূচী গ্রহণ কৰা হয়। আজি নতুন দিল্লীত অনুষ্ঠিত এই অনুষ্ঠানে উক্ত উদযাপনৰ ৰাষ্ট্রীয় পর্যায়ৰ আনুষ্ঠানিক সামৰণি পেলাব।

১৯২৬ চনৰ ৮ ছেপ্টেম্বৰত অসমৰ শদিয়াত জন্মগ্রহণ কৰা ড০ ভূপেন হাজৰিকা একাধাৰে গায়ক, সুৰকাৰ, গীতিকাৰ, চলচ্চিত্র নির্মাতা আৰু লেখক আছিল। ভাৰতীয় সংগীত আৰু চলচ্চিত্র জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেওঁ দাদাচাহেব ফাল্কে বঁটা লাভ কৰিছিল। ২০১৯ চনত মৰণোত্তৰভাৱে তেওঁক দেশৰ সর্বোচ্চ অসামৰিক সন্মান ‘ভাৰতৰত্ন’ প্রদান কৰা হয়।

আজিৰ সামৰণি অনুষ্ঠানত ৰাষ্ট্রীয় তথা ৰাজ্যিক পর্যায়ৰ শিল্পীসকলে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7569/bhupen-hazarika-birth-centenary-pm-modi-usha-mangeshkar